**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত অনুষ্ঠিত BRICS শীৰ্ষ সন্মিলন, ২০২৬-ৰ সফলতাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে।

২। বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী হুমায়ুন কবিৰে ভাৰতৰ সৈতে নতুন সম্পৰ্কৰ দিশে আগবাঢ়িবলৈ বাংলাদেশে ইচ্ছা প্ৰকাশ কৰা বুলি উল্লেখ কৰিছে।

৩। দেশৰ বিভিন্ন প্ৰান্তত ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে।

৪। দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে।

আৰু

৫। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে মহিলাৰ টী-২০ এছিয়া কাপ চেম্পিয়নশ্বিপৰ খিতাপ দখলৰ বাবে ভাৰতীয় দলৰ সকলো সদস্যক শুভেচ্ছা জনাইছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত অনুষ্ঠিত BRICS শীৰ্ষ সন্মিলন, ২০২৬-ৰ সফলতাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাইছে। তেওঁ কয়, যে এই শীৰ্ষ সন্মিলনৰ সফলতাই গোলকীয় পৰ্যায়ত গভীৰ প্ৰভাৱ পেলাব। শ্ৰী সিঙে উল্লেখ কৰে যে ঐতিহাসিক নতুন দিল্লী ঘোষণা পত্ৰ কেৱল নথি নহয়, বৰঞ্চ এয়া হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ বৰ্ধিত গোলকীয় প্ৰভাৱৰ প্ৰমাণ। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত BRICS-ৰ অধ্যক্ষ হিচাপে ভাৰতে স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষমতাক অগ্ৰাধিকাৰ দিছে। ভাৰতে BRICSৰ সহযোগিতাত প্ৰত্যক্ষভাৱে জনসাধাৰণৰ সৈতে সংযোজিত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি শ্ৰী সিঙে উল্লেখ কৰে। তেওঁ কয়, যে এই সৰ্বাংগীন আৰু মানৱকেন্দ্ৰিক পদক্ষেপ BRICS শীৰ্ষ সন্মিলনৰ মূল বৈশিষ্ট হৈ পৰে।

০০০০০০০

বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী হুমায়ুন কবিৰে বহুপাক্ষিক মঞ্চসমূহৰ পৰিৱৰ্তে দ্বিপাক্ষিক আলোচনাৰ জৰিয়তে ভাৰতৰ সৈতে নতুন সম্পৰ্কৰ দিশে আগবাঢ়িবলৈ বাংলাদেশে ইচ্ছা প্ৰকাশ কৰা বুলি সদৰি কৰিছে। ঢাকাৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ত সাংবাদিকৰ সৈতে মত বিনিময় কৰি হুমায়ুন কবিৰে কয়, যে সম্প্ৰতি দেশ দুখনৰ মিত্ৰতা কিছুমান নিৰ্দিষ্ট দিশত সীমাবদ্ধ হৈ আছে। এই পৰিধি অতিক্ৰম কৰি উমৈহতীয়া স্বাৰ্থৰ ভিত্তিত নতুন দিল্লীৰ সৈতে মিত্ৰতা আগবঢ়াই নিবলৈ বাংলাদেশে ইচ্ছা প্ৰকাশ কৰা বুলি সদৰি কৰে। প্ৰয়োজন সাপেক্ষে বাংলাদেশে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় মঞ্চৰ সৈতে সংগতি ৰাখি অন্য দেশসমূহকো সাক্ষাৎ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাৰত-বাংলাদেশৰ সীমান্ত অঞ্চলত সংঘটিত শেহতীয়া ঘটনা সন্দৰ্ভত শ্ৰীকবিৰে কয়, যে

ঢাকাই কূটনৈতিক আলোচনাৰ জৰিয়তে এই সমস্যাসমূহ সমাধান কৰাৰ পোষকতা কৰে। এইক্ষেত্ৰত দেশখনে আন্তঃৰাষ্ট্ৰীয় আইন তথা দ্বিপাক্ষিক চুক্তি আৰু সীমান্ত অঞ্চলৰ নীতি-নিয়মসমূহ মানি চলিব বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ১০১ খন বুজাবুজিৰ চুক্তি পৰ্যালোচনা কৰাৰ বিষয়টো সন্দৰ্ভত তেওঁ কয়, যে সংসদীয় ব্যৱস্থাৰ জৰিয়তে এইসমূহ পৰীক্ষা কৰা হ'ব।

০০০০০০০

তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মৰুগানে সম্ভাব্য সকলো স্থলতে পৱিত্ৰ থিৰুকুৰালৰ প্ৰচাৰ কৰাৰ বাবে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ লয়। ব্ৰিকছ্ শীৰ্ষ সন্মিলনৰ সময়ছোৱাত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুতিনৰ হাতত থিৰুকুৰালৰ ৰুছ্ অনুবাদৰ প্ৰতিলিপি অৰ্পণ কৰাৰ বাবে তেওঁ শ্ৰীমোদীক ধন্যবাদ জ্ঞাপন কৰে। চেন্নাইস্থিত তেওঁৰ বাসগৃহত আজি গণেশ চতুৰ্থী উপলক্ষে বিশেষ পূজাৰ আয়োজন কৰাৰ পাছত শ্ৰীমুৰুগানে সংবাদ মাধ্যমৰ আগত কয়, যে প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে নতুন দিল্লীত সফলতাৰে ব্ৰিকছ্ শীৰ্ষ সন্মিলন অনুষ্ঠিত কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তামিলনাডুৰ মাদুৰন্তকম আৰু ধাৰাপুৰম বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত শ্ৰীমুৰুগানে কয়, যে বিজেপিয়ে এ আই এ ডি এম কেক সমৰ্থন কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তত আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই দিনটো ভগৱান গণেশৰ জন্মদিন হিচাপে পালন কৰা হয় যি হৈছে জ্ঞান, সমৃদ্ধি আৰু সৌভাগ্যৰ প্ৰতীক। বিনায়ক চতুৰ্থী বা গণেশ উৎসৱ হিচাপেও পৰিচিত এই দিনটোৰ পৰাই ১০ দিনীয়া মহোৎসৱ আৰম্ভ হয় আৰু ভক্তসকলে ভগৱান গণেশৰ মৃণ্ময় মূৰ্তি ঘৰত ৰাখি পূজা-অৰ্চনা কৰে। গণেশ বিসৰ্জনৰ বিশাল আয়োজনেৰে এই মহোৎসৱৰ সামৰণি পৰে। ভগৱান গণেশৰ মূৰ্তি বিসৰ্জনে সৃষ্টি আৰু বিনাশৰ প্ৰক্ৰিয়াক চিহ্নিত কৰে। গণেশ চতুৰ্থী মহাৰাষ্ট্ৰৰ প্ৰধান উৎসৱসমূহৰ অন্যতম আৰু ৰাজ্যখনৰ লোকসকলে অতি উলহ-মালহেৰে এই উৎসৱ পালন কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে ভগৱান গণেশ হৈছে জ্ঞান, সমৃদ্ধি আৰু পৱিত্ৰ আৰম্ভণিৰ প্ৰতীক। গণেশ চতুৰ্থী মহোৎসৱে আমাৰ জীৱনলৈ শক্তি, জ্ঞান আৰু ইতিবাচক চিন্তা কঢ়িয়াই আনে বুলি শ্ৰীমুৰ্মুৱে উল্লেখ কৰে। তেওঁ কয়, যে এই পৱিত্ৰ উৎসৱে সকলোকে নতুন সংকল্পৰে প্ৰগতিৰ পথেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভগৱান গণেশে প্ৰত্যেকৰে জীৱনলৈ সুখ, শান্তি, সুস্বাস্থ্য আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ বাবে প্ৰাৰ্থনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গণেশ চতুৰ্থী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে এটা সংস্কৃত হিতোপদেশ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এই পৱিত্ৰ উৎসৱে প্ৰত্যেকৰে জীৱনত নতুন শক্তি আৰু উদ্দীপনা জগাই তুলিব বুলি কামনা কৰে। তেওঁ লগতে গণেশ দেৱতাৰ আশীৰ্বাদেৰে সকলো ক্ষেত্ৰত সফলতা প্ৰাপ্তিৰে দেশ নিৰন্তৰ প্ৰগতিৰ পথত আগুৱাই যাব বুলি কামনা কৰে।

০০০০০০০

দেশজুৰি আজি হিন্দী দিৱস উদযাপন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ চৰকাৰী ভাষা হিচাপে গ্ৰহণ কৰিছিল। বৰ্তমান সময়ত বিশ্বৰ ভালেসংখ্যক লোকে হিন্দী ভাষা ব্যৱহাৰ কৰাৰ লগতে ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা হৈছে হিন্দী।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নৱী মুম্বাইত ষষ্ঠ সৰ্বভাৰতীয় ৰাজভাষা সন্মিলন আৰু হিন্দী দিৱস ২০২৬ৰ আৰম্ভণি সত্ৰত অংশগ্ৰহণ কৰাৰ কথা। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত চৰকাৰী ভাষা বিভাগে দুদিনীয়া কাৰ্যসূচীৰে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত বিভিন্ন ভাৰতীয় ভাষাৰ সৈতে হিন্দীৰ সমন্বয়ৰ উপৰি চৰকাৰী ভাষা, জনসাধাৰণৰ ভাষা আৰু সংযোগী ভাষা হিচাপে হিন্দীৰ প্ৰসাৰ সন্দৰ্ভত বিভিন্ন খণ্ডৰ বিশেষজ্ঞ, সাহিত্যিক, ভাষাবিদ, শিক্ষাবিদ, সংসদৰ সদস্য, জ্যেষ্ঠ চৰকাৰী বিষয়া তথা বিশিষ্ট ব্যক্তিসকলে ভাষণ দিব। আৰম্ভণি সত্ৰত শ্ৰীশ্বাহে হিন্দী ভাষাৰ ব্যৱহাৰ আৰু সংবৰ্ধনৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে কেইবাগৰাকীও ব্যক্তি তথা প্ৰতিষ্ঠানক ২০২৫-২৬ বৰ্ষৰ ৰাজভাষা গৌৰৱ আৰু ৰাজভাষা কীৰ্তি বঁটা প্ৰদান কৰিব। এই সত্ৰৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰগীত বন্দে মাতৰম আৰু এই গীতৰ ঐতিহাসিক, ভাষিক আৰু সাংস্কৃতিক তাৎপৰ্য সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। এই সন্মিলনত বন্দে মাতৰমৰ প্ৰতি উৎসৰ্গিত ৰাজভাষা ভাৰতীৰ এটা বিশেষ সংস্কৰণকে ধৰি কেইবাখনো গ্ৰন্থ মুকলি কৰা হ'ব।

গৃহমন্ত্ৰীগৰাকীয়ে হিন্দী দিৱস উপলক্ষে এটা বাৰ্তা শ্বেয়াৰ কৰি কয়, যে হিন্দী হৈছে ৰাষ্ট্ৰীয় ঐক্য বৰ্তাই ৰখাৰ এনাজৰী। ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত হোৱাত ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিক্ দৰ্শনত হিন্দী আৰু অন্যান্য ভাষাসমূহে প্ৰযুক্তিগত উন্নয়নৰ সোণালী যুগত প্ৰৱেশ কৰা বুলি তেওঁ উল্লেখ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে হিন্দী দিৱস উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে হিন্দী কেৱল এটা ভাষাই নহয়, হিন্দী হৈছে দেশৰ সংস্কৃতি, সভ্যতা আৰু জীৱন প্ৰমূল্যৰ প্ৰতিফলন।

লোকসভাৰ অধ্যক্ষ ওম বিৰলায়ো হিন্দী দিৱস উপলক্ষে সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে সাহিত্য তথা সাংবাদিকতাৰ পৰা চলচ্চিত্ৰ, দূৰদৰ্শন, শিক্ষা তথা ডিজিটেল পৃথিৱীখনলৈ হিন্দী লাখ লাখ লোকৰ প্ৰকাশৰ পৰিভাষা হৈ উঠিছে।

০০০০০০০

পাকিস্তানৰ দক্ষিণ-পশ্চিম বেলুচিস্তানৰ এটা কয়লা খনিত হোৱা গেছ বিস্ফোৰণৰ ঘটনাত ৪ জন শ্ৰমিক নিহত হোৱাৰ লগতে ৫ জন শ্ৰমিক আহত হয়। হাৰ্নাই জিলাৰ এটা কয়লা খনিৰ ভিতৰত কালি এই ঘটনা সংঘটিত হয়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে যোৱা আগষ্টত বেলুচিস্তানৰ ডুকি জিলাত এটা কয়লা খনিত কৰ্মৰত অৱস্থাত উশাহত বিষাক্ত মিথেন গেছ প্ৰৱেশ কৰাত দুজন আফগান নাগৰিককে ধৰি ৩ জন শ্ৰমিক নিহত হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাৰ টী-২০ এছিয়া কাপ চেম্পিয়নশ্বিপৰ খিতাপ দখলৰ বাবে ভাৰতীয় দলৰ সকলো সদস্যক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয়, যে ভাৰতীয় খেলুৱৈসকলে সমগ্ৰ প্ৰতিযোগিতাখনত অনবদ্য প্ৰদৰ্শনেৰে আটাইকেইখন খেলতে জয়লাভ কৰি দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ কয়, যে এই খেলুৱৈসকল হৈছে দেশৰ যুৱ প্ৰজন্মৰ বাবে অসীম প্ৰেৰণাৰ উৎস। অনাগত দিনত তেওঁলোকে সফলতাৰ এনে বহু গাঁথা ৰচনা কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে আস্থা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ শুভেচ্ছা বাৰ্তাত কয়, যে প্ৰতিযোগিতাত ভাৰতীয় দলৰ অ-প্ৰতিৰোধ্য অভিযান, অনবদ্য দলীয় ঐক্য আৰু প্ৰবল দৃঢ়তাই দেশলৈ গৌৰৱ

কঢ়িয়াই আনিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মহিলা দলক শুভেচ্ছা জনাই কয়, যে প্ৰতিযোগিতাখনত খেলুৱৈসকলৰ আস্থা, দৃঢ়তা আৰু উদ্যম পৰিলক্ষিত হ'ল। এই জয়ে দেশৰ লাখ লাখ যুৱক-যুৱতীক খেলৰ প্ৰতি আগ্ৰহী হ'বলৈ অনুপ্ৰাণিত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে ডুবাইত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৭২ ৰানত পৰাস্ত কৰি অষ্টমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ দখলৰ অভিলেখ গঢ়ে। ইয়াকে ধৰি এদিনীয়া আন্তঃৰাষ্ট্ৰীয় আৰু টি-২০ ফৰ্মেটৰ এছিয়া কাপ ফাইনেলত ভাৰতে ষষ্ঠবাৰৰ বাবে শ্ৰীলংকাক পৰাস্ত কৰে।

০০০০০০০

বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান টেড্ৰ'ছ অধনম ঘেব্ৰিয়ছছে স্বাস্থ্যখণ্ডত অতি শক্তিশালী সহযোগিতা, উদ্ভাৱন, স্থিতিস্থাপকতা তথা স্থায়ী বিত্তীয় সাহায্যৰ বাবে আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে ব্ৰিকছ্ মুৰববীসকলৰ শীৰ্ষ সন্মিলনৰ চাৰিও বিষয়বস্তু পোনপটীয়াভাৱে আন্তৰ্জাতিক স্বাস্থ্যখণ্ডৰ সৈতে জড়িত। তেওঁ দেশসমূহক প্ৰাথমিক স্বাস্থ্যৰ সুবিধা, পৰ্যবেক্ষণ, আগতীয়া সতৰ্কবাণীৰ ব্যৱস্থা তথা প্ৰতিৰোধ শক্তিশালী কৰি তোলাৰ বাবে স্থানীয় প্ৰস্তুতি ত্বৰান্বিত কৰি তুলিবলৈ আহ্বান জনায়। উদ্ভাৱন সন্দৰ্ভত তেওঁ বিজ্ঞান, ডিজিটেল স্বাস্থ্য আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যাপক ব্যৱহাৰৰ আহ্বান জনাই কয়, যে এইসমূহৰ জৰিয়তে সমাজৰ প্ৰতিটো খণ্ড উপকৃত হোৱাটো সুনিশ্চিত কৰা উচিত।

০০০০০০০

সমাপ্ত